জয় গুৰু শংকৰ
শ্ৰীমন্ত শংকৰদেৱৰ সংঘ

জয় গুৰু শংকৰ

# শ্ৰীমন্ত শংকৰদেৱৰ সঙ্ঘ

## সাহিত্য শাখা সমিতি

পঞ্জীয়ন নং ঃ ২২/১৯৬৩
স্থাপিত ঃ ১৯৩০ খ্ৰীষ্টাব্দ, ৪৮২ শংকৰাব্দ
মূল কাৰ্যালয়ঃ কলংপাৰ, হলধৰ ভূঞা পথ, নগাঁও - ৭৮২০০১

**মৃণাল কুমাৰ বৰুৱা**
সভাপতি
৯১২৭৪২৫৩২/৯৮৫৯৩২৯১০৫ (ম)
mrinalbaruah@gmail.com

**ড° মানস প্ৰতীম বৰা**
সম্পাদক
৯৭৭৪৩০১৩০৩/৭৬২৮৯৩০৩০৬ (ম)
manashpratim100@gmail.com

*পত্ৰাংকঃ*　　　　*দিনাংকঃ-০২-০১-২০২২*

# আশাৰ একেষাৰ

মৃণাল কুমাৰ বৰুৱা
*সভাপতি*
সাহিত্য শাখা সমিতি আৰু সাহিত্য গৱেষণা পৰিষদ
শ্ৰীমন্ত শংকৰদেৱ সংঁঘ।

শ্ৰীমন্ত শংকৰদেৱ সংঁঘৰ গোলাঘাট জিলা শাখাই এটি ৱেবছাইট মুকলি কৰিবলৈ লোৱা খবৰ পাই পৰম প্ৰীতিমন্ত হৈছোঁ। যুগোপযোগী এনে কামৰ বাবে জয়জয়তে জিলা শাখালৈ সেৱা নিৱেদন কৰিছোঁ । বৰ্তমানৰ বিজ্ঞান আৰু প্ৰযুক্তিৰ পৃথিৱীত তথ্য আৰু চিন্তা প্ৰসাৰৰ এটি নিৰ্ভৰযোগ্যগ্য মাধ্যম হিচাপে ৱেবছাইট অতি সমাদৃত। পৃথিৱীৰ জনকল্যাণমুখী সকলো অনুষ্ঠানে এই মাধ্যমেৰে নিজৰ অভিনৱ কৰ্মসূচী সকলো লোকৰে দৃষ্টি আকৰ্ষণ কৰিব পৰাকৈ তুলি ধৰি আহিছে। মই বিশ্বাস কৰোঁ, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আৰু মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱৰ অতুলনীয় সৃষ্টি, চিন্তা আৰু আদৰ্শক জগতবাসীৰ সন্মুখলৈ নিয়াৰ বাবে এই প্ৰযুক্তি মাধ্যমৰ সহায় স্বীকাৰ কৰি ল'বই লাগিব। পৃথিৱীৰ বৌদ্ধিক জগতক সহজে স্পৰ্শ কৰিব পৰা এনে পথেৰে শংকৰদেৱ চৰ্চা আৰু প্ৰচাৰৰ আন্দোলন এটা আগুৱাই নিব লাগিব। গোলাঘাট জিলা শাখাই সঠিক সময়তে এনে এটি পদক্ষেপ আৰম্ভ কৰিছে বুলি অনুভৱ কৰিছোঁ। ৱেবছাইট মুকলিৰ শুভক্ষণতে ভাগৱতৰ ইন্টাৰনেট সংস্কৰণটিও উপলব্ধ কৰোৱাৰ ব্যৱস্থা কৰা কাৰ্যই সমগ্ৰ প্ৰয়াসটিকে মহত্ত্ব দান কৰিছে।

আশা কৰিম- জিলা শাখাৰ প্ৰতিটো অভিনৱ কাৰ্য এই ৱেবছাইটটিত সুন্দৰ ৰূপত প্ৰতিফলিত হ'ব। এনে এটি কামৰ নেতৃত্ব দান কৰা জিলা শাখাৰ সভাপতি আৰু সম্পাদক বাপলৈয়ো আন্তৰিক সেৱা জনালোঁ।